# ক্ষুদ্র বিত্তায়ন পালছ্ প্রতিবেদন

খণ্ড **XVI –** জুন **2023**



powering the world with knowledge™

# বিশ্লেষণাত্মক যোগাযোগসমূহ

## ইকুইফেক্স

কিৰণ সমুদ্ৰলা
মুৰব্বী – তথ্য বিশ্লেষণ
kiran.samudrala@equifax.com

শ্ৰুতি যোশী
মুৰব্বী – পৰ্যবেক্ষণ আৰু বিশ্লেষণ
shruti.joshi@equifax.com

বন্দনা পাঞ্চাল
সহযোগী প্ৰবন্ধক – পৰ্যবেক্ষণ আৰু বিশ্লেষণ
vandana.panchal@equifax.com

ৰীমা পাছৱান
তথ্য বিজ্ঞানী – পৰ্যবেক্ষণ আৰু বিশ্লেষণ
reema.paswan@equifax.com

## ছিডবি

সঞ্জয় জৈন
চি.জি.এম.-ই.আৰ.ডি.এ.ভি.
erdav@sidbi.in

চান্দ কুৰীল
জি.এম.-ই.আৰ.ডি.এ.ভি.
erdav@sidbi.in

সোহম নাগ
এ.জি.এম.-ই.আৰ.ডি.এ.ভি.
erdav@sidbi.in

বন্দিতা শ্ৰীবাস্তৱ
এ.এম.-ই.আৰ.ডি.এ.ভি.
erdav@sidbi.in

# সূচীপত্ৰ


| | |
|---|---|
| কাৰ্যকৰী সাৰাংশ | 04 |
| সংক্ষিপ্ত ৰূপ আৰু পৰিভাষা | 05 |
| ক্ষুদ্ৰ বিত্তীয় উদ্যোগ অৱলোকন | 06 |
| বিতৰণৰ প্ৰৱণতা | 09 |
| উদ্যোগ বিপদাশংকা ৰূপৰেখা (প্ৰ’ফাইল) | 12 |
| ভৌগোলিক অৱস্থান | 14 |
| অভিলাষী জিলাসমূহ | 17 |
| ভূ (জিঅ’) প্ৰদৰ্শন | 19 |

# কাৰ্যকৰী সাৰাংশ

এম.এফ.আই. পালছ্ প্ৰতিবেদনৰ 16 সংখ্যক সংস্কৰণৰ 2022 চনৰ 31 ডিচেম্বৰলৈ ব্যুৰোত দাখিল কৰা তথ্যৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে৷ 2022 চনৰ 31 ডিচেম্বৰলৈ ক্ষু দ্ৰ বি ত্তী য় উ দ্যো গ ৰ ব কে য়া প ৰ্ট ফ লি অ ’ হৈ ছে `287,237 কোটি টকা, য’ত 1,096 লাখ সক্ৰিয় ঋণ আৰু ঋণদাতাৰ মাজত 6 কোটি সক্ৰিয় একক ঋণগ্ৰহণকাৰী আছে৷ এন.বি.এফ.চি.-এম.এফ.আই.সমূহে বকেয়া পৰ্টফলিঅ’ৰ ক্ষেত্ৰত সৰ্বাধিক অৱিহণা যোগায়৷ বেংক, এন.বি.এফ.চি.-এম.এফ.আই. আৰু এছ.এফ.বি.য়ে অ’এনডি’22 ত্ৰৈমাসিকত বকেয়া পৰ্টফলিঅ’ৰ ক্ষেত্ৰত 90% আৰু ঋণ প্ৰদানৰ পৰিমাণৰ ক্ষেত্ৰত 91% অৱিহণা যোগায়৷ 2021 চনৰ ডিচেম্বৰৰ পৰা 2022 চনৰ ডিচেম্বৰলৈ ক্ষুদ্ৰ বিত্তীয় উদ্যোগ 22% বৃদ্ধি পাইছে আৰু 2022 চনৰ ছেপ্টেম্বৰ মাহৰ পৰা 2022 চনৰ ডিচেম্বৰলৈ 6%ৰ ত্ৰৈমাসিক (Q-o-Q) বৃদ্ধি দেখা পোৱা গৈছিল৷ এন.বি.এফ.চি. সমূহত 2021 চনৰ ডিচেম্বৰৰ পৰা 2022 চনৰ ডিচেম্বৰলৈ 62%ৰ সৰ্বাধিক বাৰ্ষিক (Y-o-Y) বৃদ্ধি দেখা পোৱা গৈছিল৷

মূল্য অনুসৰি ঋণ প্ৰদানৰ ক্ষেত্ৰত বাৰ্ষিক 10% বৃদ্ধি দেখা পোৱা গৈছিল আৰু পৰিমাণৰ ক্ষেত্ৰত অ’.এন.ডি.’21ৰ পৰা অ’.এন.ডি.’22 লৈ 5% বৃদ্ধি হৈছে৷ অ’.এন.ডি.’21ৰ পৰা অ’.এন.ডি.’22 লৈ এন.বি.এফ.চি.-এম.এফ.আই.সমূহৰ ক্ষেত্ৰত প্ৰদান কৰা ধনৰাশিৰ ক্ষেত্ৰত 32% আৰু ঋণ প্ৰদানৰ ক্ষেত্ৰত 16% বৃদ্ধি দেখা পোৱা হৈছিল৷ সৰ্বাধিক সংখ্যক ঋণ 30k-40k টিকট আকাৰৰ শ্ৰেণীৰ অধীনত প্ৰদান কৰা হয় আৰু অ’.এন.ডি.’21ৰ পৰা অ’.এন.ডি.’22 লৈ 40k-50k টিকটৰ আকাৰৰ ক্ষেত্ৰত বাৰ্ষিক 42% বৃদ্ধি দেখা পোৱা গৈছে৷

অ’.এন.ডি.’21ৰ পৰা অ’.এন.ডি.’22 লৈ ঋণ প্ৰদানৰ ক্ষেত্ৰত উদ্যোগটোৰ 5% বৃদ্ধি হৈছিল৷ 2021 চনৰ ডিচেম্বৰৰ তুলনাত 2022 চনৰ ডিচেম্বৰত সকলোবোৰ পৰিশোধ বিলম্বৰ স্তৰ হ্ৰাস পাইছে৷

2022 চনৰ 31 ডিচেম্বৰ সাপেক্ষে অভিলাষী জিলাসমূহৰ বকেয়া পৰ্টফলিঅ’ হৈছে `38,812 কোটি টকা আৰু 2021 চনৰ ডিচেম্বৰৰ পৰা 2022 চনৰ ডিচেম্বৰলৈ এয়া 22% বৃদ্ধি হৈছে৷ 2022 চনৰ জানুৱাৰীৰ পৰা 2022 চনৰ ডিচেম্বৰলৈ অভিলাষী জিলাসমূহক `42,767 কোটি টকাৰ ঋণ প্ৰদান কৰা হৈছে৷

এই সংস্কৰণত আমি গ্ৰাম্য, অৰ্ধনগৰীয়া আৰু নগৰীয়া সকলো অঞ্চলৰ প্ৰদৰ্শন সামৰি লৈছোঁ৷

2021 চনৰ ডিচেম্বৰৰ পৰা 2022 চনৰ ডিচেম্বৰলৈ গ্ৰাম্য অঞ্চলৰ বুক ছাইজ 26% বৃদ্ধি হৈছে৷

টোকা : এম.এফ.আই. খণ্ডত 6 কোটি অনন্য জীৱিত ঋণগ্ৰাহী আছে৷ গ্ৰাহকৰ অনন্য সংখ্যাৰ পাৰ্থক্যৰ কাৰণ হৈছে গ্ৰাহকসকলৰ এছ.এফ.বি., বেংক, এন.বি.এফ.চি.-এম.এফ.আই., এন.বি.এফ.চি. আৰু অলাভকাৰী (নট ফৰ প্ৰফিট) এম.এফ.আই.ৰ সৈতে একাধিক সম্পৰ্ক থকা৷

# সংক্ষিপ্ত ৰূপ আৰু পৰিভাষা

- এ.টি.এছ. (এভাৰেজ টিকেট ছাইজ) = প্ৰদান কৰা ধনৰাশি / ঋণৰ সংখ্যা
- ডি.পি.ডি. = ডে'জ পাষ্ট ডিউ (পৰিশোধৰ তাৰিখ উকলি যোৱা)
- সক্ৰিয় পি.অ'.এছ.বা ঋণগ্ৰাহী বা সক্ৰিয় ঋণ = 0 ৰ পৰা 179 ডি.পি.ডি. + নতুন একাউণ্ট + চলিত একাউণ্ট
- এম.এফ.আই. = ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান
- পি.অ'.এছ.= বকেয়া প্ৰটফলিঅ'
- ইউ.টি. = কেন্দ্ৰীয় শাসিত অঞ্চল
- অভিলাষী জিলাসমূহ (এ.ডি.) – স্বাস্থ্য আৰু পুষ্টি, শিক্ষা, কৃষি আৰু জলসম্পদ, বিত্তীয় অন্তৰ্ভুক্তি, দক্ষতা বিকাশ আৰু মৌলিক আন্তঃগাঁথনিৰ দৰে সংমিশ্ৰিত সূচকৰ ওপৰত ভিত্তি কৰি মানৱ উন্নয়ন সূচকাংকৰ উন্নতিৰ বাবে 2018 চনৰ জানুৱাৰী মাহত ভাৰত চৰকাৰৰ নীতি (NITI) আয়োগে চিহ্নিত কৰা (বৰ্তমান 117 খন) জিলাসমূহ।
- প্লেটফৰ্মত প্ৰদান কৰা এলেকাৰ শ্ৰেণীবিভাজনৰ ভিত্তি হৈছে ভাৰতৰ অঞ্চলসমূহৰ লোকপিয়লৰ শ্ৰেণীবিভাজন, যদি এইখন এখন গাঁও হয় তেন্তে ই গ্ৰাম্য আৰু যদি এইখন এখন চহৰ বা নগৰ হয়, তেন্তে ই নগৰীয়া। নগৰীয়া : যদি চহৰ বা নগৰৰ মাজ-মজিয়াৰ পিনকোড হয়, যি কোনো গাঁৱক সামৰি নলয়। অৰ্ধ-নগৰীয়া : যদি পিনকোডটো কোনো নগৰৰ সীমাৰ হয় আৰু কোনো এখন গাঁৱকো সামৰি লয়। গ্ৰাম্য : যদি পিনকোডটো সম্পূৰ্ণকৈ এখন গাঁৱৰ হয়।

- 1-179 = 1 ৰ পৰা 179 দিনলৈ ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 1-29 = 1 ৰ পৰা 29 দিনলৈ ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 30-59 = 30 ৰ পৰা 59 দিনলৈ ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 60-89 = 60 ৰ পৰা 89 দিনলৈ ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 90-179 = 90 ৰ পৰা 179 দিনলৈ ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 30+ পৰিশোধ বিলম্ব = 30-179 দিনলৈ ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 90+ পৰিশোধ বিলম্ব = 90-179 দিনলৈ ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.

- অ'.এন.ডি.'21 = 2021 চনৰ অক্টোবৰৰ পৰা 2021 চনৰ ডিচেম্বৰলৈ
- জে.এফ.এম.'22 = 2022 চনৰ জানুৱাৰীৰ পৰা 2022 চনৰ মাৰ্চলৈ
- এ.এম.জে.'22 = 2022 চনৰ এপ্ৰিলৰ পৰা 2022 চনৰ জুনলৈ
- জে.এ.এছ.'22 = 2022 চনৰ জুলাইৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ
- অ'.এন.ডি.'22 = 2022 চনৰ অক্টোবৰৰ পৰা 2022 চনৰ ডিচেম্বৰলৈ




# ক্ষুদ্র বিত্তীয়

## উদ্যোগ অবলোকন

# ক্ষুদ্ৰ বিত্তীয় উদ্যোগৰ সংক্ষিপ্ত ছবি –

## 2022 চনৰ 31 ডিচেম্বৰ সাপেক্ষে

| 2022 চনৰ 31 ডিচেম্বৰ সাপেক্ষে সংক্ষিপ্ত ছবি | বেংক | এছ.এফ.বি. | এন.বি.এফ.চি - এম. এফ.আই | এন.বি.এফ.চি. | অলাভকাৰী এমএফআই | মুঠ উদ্যোগ |
|---|---|---|---|---|---|---|
| সক্ৰিয় জীৱিত ঋণগ্ৰাহী ('000) | 26,470 | 12,646 | 23,834 | 7,810 | 1,061 | 71,821 |
| সক্ৰিয় ঋণ ('000) | 39,218 | 16,301 | 44,108 | 8,731 | 1,329 | 109,687 |
| পৰ্টফলিঅ' (`কোটি টকাত) | 95,923 | 46,878 | 114,776 | 26,506 | 3,154 | 287,237 |
| প্ৰদান কৰা ধনৰাশি (`কোটি টকাত) – অ'.এন.ডি.' 22 | 27,379 | 11,771 | 32,053 | 5,644 | 972 | 77,819 |
| গড় টিকেট আকাৰ (এভাৰেজ টিকেট ছাইজ, টকাত ) – অ'.এন.ডি.' 22 | 38,457 | 47,159 | 41,245 | 44,299 | 35,283 | 41,095 |
| 30+ পৰিশোধ বিলম্ব(পি.অ'.এছ.) | 5.70% | 3.22% | 2.17% | 1.22% | 1.59% | 3.43% |
| 90+ পৰিশোধ বিলম্ব(পি.অ'.এছ.) | 3.11% | 1.46% | 1.06% | 0.53% | 0.71% | 1.76% |




- 2022 চনৰ 31 ডিচেম্বৰলৈ এম.এফ.আই. উদ্যোগৰ বুক ছাইজ হৈছে `287,237 কোটিটকা৷
- এন.বি.এফ.চি-এম.এফ.আই.সমূহৰ বকেয়া পৰ্টফলিঅ'ৰ ক্ষেত্ৰত সৰ্বাধিক 40% বজাৰ অংশীদাৰিত্ব আছে৷
- অ'.এন.ডি.'22 ৰ ত্ৰৈমাসিকত বেংক, এন.বি.এফ.চি-এম.এফ.আই. আৰু এছ.এফ.বি.সমূহে বকেয়া পৰ্টফলিঅ'ৰ ক্ষেত্ৰত 90% আৰু প্ৰদান কৰা ধনৰাশিৰ ক্ষেত্ৰত 91% অৰিহণা আগবঢ়ায়৷
- এছ.এফ.বি. , এন.বি.এফ.চি. আৰু এন.বি.এফ.চি-এম.এফ.আই.সমূহৰ গড় টিকেট আকাৰ (এভাৰেজ টিকেট ছাইজ) উদ্যোগসমূহৰ টিকেট আকাৰতকৈ অধিক হয়৷
- আটাইবোৰ ঋণদাতাৰ ভিতৰত এন.বি.এফ.চি.ৰ 90+ পৰিশোধবিলম্ব সৰ্বনিম্ন৷


টোকা: এম.এফ.আই. খণ্ডত 6 কোটি অনন্য জীৱিত ঋণগ্ৰাহী আছে৷ গ্ৰাহকৰ অনন্য সংখ্যাৰ পাৰ্থক্যৰ কাৰণ হৈছে গ্ৰাহকসকলৰ এছ.এফ.বি., বেংক, এন.বি.এফ.চি.-এম.এফ.আই., এন.বি.এফ.চি. আৰু অলাভকাৰী (নট ফৰ প্ৰফিট) এম.এফ.আই.ৰ সৈতে একাধিক সম্পৰ্ক থকা৷

# ক্ষুদ্ৰ বিত্তীয় উদ্যোগ অৱলোকন

বকেয়া পটফলিঅ'(`কোটি টকাত)

| শিতানসমূহ | ডিচে' 21 | মাৰ্চ' 22 | জুন' 22 | ছেপ্টে' 22 | ডিচে' 22 | বাৰ্ষিক (Y-o-Y) বৃদ্ধিৰ % |
|---|---|---|---|---|---|---|
| বেংক | 93,841 | 102,032 | 98,445 | 98,001 | 95,923 | 2% |
| এছ.এফ.বি. | 39,675 | 44,134 | 44,810 | 45,046 | 46,878 | 18% |
| এন.বি.এফ.চি-এম.এফ.আই | 84,065 | 94,481 | 95,671 | 102,129 | 114,776 | 37% |
| এন.বি.এফ.চি. | 16,337 | 19,155 | 25,232 | 23,175 | 26,506 | 62% |
| অলাভকাৰী এম.এফ.আই. | 2,260 | 2,800 | 2,383 | 2,999 | 3,154 | 40% |
| মুঠ উদ্যোগ | 236,178 | 262,602 | 266,541 | 271,350 | 287,237 | 22% |
| ত্ৰৈমাসিক (Q-o-Q) বৃদ্ধিৰ হাৰ% | | 11% | 1% | 2% | 6% | |

ঋণদাতাৰ প্ৰকাৰ অনুসৰি বজাৰ অংশীদাৰিত্বৰ প্ৰৱণতা




- 2021 চনৰ ডিচেম্বৰৰ তুলনাত 2022 চনৰ ডিচেম্বৰত ক্ষুদ্ৰ বিত্তীয় উদ্যোগৰ বাৰ্ষিক বৃদ্ধি (YoY) 22% আছিল আৰু 2022 চনৰ ছেপ্টেম্বৰৰ তুলনাত 2022 চনৰ ডিচেম্বৰত ত্ৰৈমাসিক (QoQ) বৃদ্ধি 6% আছিল।
- 2021 চনৰ ডিচেম্বৰৰ তুলনাত 2022 চনৰ ডিচেম্বৰত এন.বি.এফ.চি.সমূহে 62% বাৰ্ষিক (YoY) বৃদ্ধি আৰু 2022 চনৰ ছেপ্টেম্বৰৰ তুলনাত 2022 চনৰ ডিচেম্বৰত 14% ত্ৰৈমাসিক (QoQ) বৃদ্ধি নথিবদ্ধ কৰিছে।

EQUIFAX




# বিতৰণৰ প্ৰৱণতা

# বিতৰণৰ প্ৰৱণতা –

## প্ৰতিষ্ঠান অনুসৰি

প্ৰদান কৰা ঋণৰ সংখ্যা (লাখত)

| ঋণদাতাৰ প্ৰকাৰ | অ'.এন.ডি.'21 | জে.এফ.এম.' 22 | এ.এম.জে.' 22 | জে.এ.এছ.' 22 | অ'.এন.ডি.' 22 |
|---|---|---|---|---|---|
| বেংক | 70 | 94 | 56 | 76 | 71 |
| এছ.এফ.বি. | 29 | 30 | 22 | 23 | 25 |
| এন.বি.এফ.চি.-এম.এফ.আই. | 67 | 82 | 58 | 74 | 78 |
| এন.বি.এফ.চি. | 12 | 15 | 14 | 16 | 13 |
| অলাভকাৰী এম.এফ.আই. | 3 | 4 | 1 | 3 | 3 |
| মুঠ উদ্যোগ | 181 | 225 | 151 | 192 | 190 |





- অ'এন.ডি.' 21 ৰপৰা অ'এন.ডি.'22 লৈ মূল্য অনুসৰি ঋণ প্ৰদানৰ বাৰ্ষিক বৃদ্ধিৰ হাৰ 10% দেখা পোৱা গৈছে৷
- এন.বি.এফ.চি.-এম.এফ.আই.সমূহত অ'এন.ডি.' 21 ৰপৰা অ'এন.ডি.'22 লৈ মূল্য সাপেক্ষে বাৰ্ষিক (Y-o-Y) 32% পৰিমাণ সাপেক্ষে বাৰ্ষিক (Y-o-Y) 16% বৃদ্ধিৰ হাৰ দেখা পোৱা গৈছে৷

অস্বীকৰণ : সদস্যসকলৰ পৰা পোৱা আপডেটৰ ভিত্তিত পূৰ্বৰ সকলো ত্ৰৈমাসিকৰ উৎসৰ তথ্য আপডেট কৰা হৈছে৷

# উদ্যোগৰ টিকেট আকাৰৰ প্ৰৱণতা

প্ৰদান কৰা ঋণৰ সংখ্যা (লাখত)

| টিকেটৰ আকাৰ | অ'.এন.ডি.' 21 | জে.এফ.এম' 22 | এ.এম.জে.' 22 | জে.এ.এছ.' 22 | অ'.এন.ডি.' 22 | বাৰ্ষিক (Y-o-Y) বৃদ্ধিৰ হাৰৰ % |
|---|---|---|---|---|---|---|
| 0K-10K | 10 | 11 | 7 | 10 | 10 | 0% |
| 10K-20K | 13 | 16 | 10 | 12 | 11 | -15% |
| 20K-30K | 26 | 31 | 18 | 20 | 18 | -31% |
| 30K-40K | 51 | 65 | 44 | 55 | 48 | -6% |
| 40K-50K | 31 | 39 | 28 | 39 | 44 | 42% |
| 50K-60K | 24 | 30 | 22 | 26 | 27 | 13% |
| 60K ৰ অধিক | 26 | 33 | 22 | 30 | 32 | 23% |
| মুঠ | 181 | 225 | 151 | 192 | 190 | 5% |
| ত্ৰৈমাসিক (Q-o-Q) ঋণ প্ৰদান বৃদ্ধিৰ হাৰৰ % | - | 24% | -33% | 27% | -1% | - |
| সৰ্বভাৰতীয় এ.টি.এছ. (টকাত) | 39,045 | 39,836 | 39,645 | 39,971 | 41,095 | - |
| ত্ৰৈমাসিক (Q-o-Q) এ.টি.এছ. বৃদ্ধিৰ % - | 2% | | -0.5% | 0.8% | 3% | - |




- অ'.এন.ডি.' 22 ত সৰ্বাধিক সংখ্যক ঋণ 30k-40k টিকট আকাৰৰ শ্ৰেণীৰ অধীনত জাৰী কৰা হৈছিল।
- অ'.এন.ডি.' 21 ৰ পৰা অ'.এন.ডি.' 22 লৈ 5% এ.টি.এছ. বৃদ্ধি হৈছিল।

অস্বীকৰণ : সদস্যসকলৰ পৰা পোৱা আপডেটৰ ভিত্তিত পূৰ্বৰ সকলো ত্ৰৈমাসিকৰ উৎসৰ তথ্য আপডেট কৰা হৈছে।

EQUIFAX





# উদ্যোগ বিপদাশংকা

## ৰূপৰেখা (প্ৰ’ফাইল)

# পৰিশোধ বিলম্বৰ প্ৰৱণতা

পৰিশোধৰ তাৰিখ উকলি যোৱা সাপেক্ষে বিলম্ব

| প্ৰতিবেদিত ত্ৰৈমাসিক | পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 1-29 দিনলৈ | পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 30-59 দিনলৈ | পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 60-89 দিনলৈ | পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 90-179 দিনলৈ | পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 1-179 দিনলৈ |
|---|---|---|---|---|---|
| ডিচে’ 21 | 5.03% | 3.19% | 2.14% | 3.44% | 13.80% |
| মাৰ্চ’ 21 | 2.93% | 1.71% | 1.12% | 2.43% | 8.19% |
| জুন’ 22 | 2.69% | 1.44% | 1.71% | 1.85% | 7.69% |
| ছেপ্টে’ 22 | 2.36% | 1.11% | 1.55% | 2.27% | 7.29% |
| ডিচে’ 22 | 1.76% | 0.83% | 0.84% | 1.76% | 5.19% |




- পূৰ্বৰ ত্ৰৈমাসিকসকমূহৰ তুলনাত 2022 চনৰ ডিচেম্বৰত সকলো স্তৰৰ পৰিশোধ বিলম্ব হ্ৰাস পাইছে৷
- 2021 চনৰ ডিচেম্বৰৰ তুলনাত 2022 চনৰ ডিচেম্বৰত 90+ পৰিশোধ বিলম্ব 168 বি.পি.এছ. হ্ৰাস পাইছে৷




# ভৌগোলিক

# অৱস্থান

# ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল অনুসৰি বকেয়া পৰ্টফলিঅ’- 


## 2022 চনৰ 31 ডিচেম্বৰ সাপেক্ষে




এই মানচিত্ৰখন কেৱল এক সাধাৰণীকৃত চিত্ৰ আৰু ই সন্দৰ্ভৰ উদ্দেশ্যে ব্যৱহাৰৰ বাবে নহয়।

- শীৰ্ষৰ 10 খন ৰাজ্যই বকেয়া পৰ্টফলিঅ’ৰ ক্ষেত্ৰলৈ 84% অৰিহণা আগবঢ়ায়।
- বকেয়া পৰ্টফলিঅ’ৰ ক্ষেত্ৰত বিহাৰ `41,441 কোটি টকাৰ সৈতে আগবাঢ়ি আছে আৰু ই মুঠ বকেয়া পৰ্টফলিঅ’লৈ 14% অৰিহণা আগবঢ়ায়।
- 2022 চনৰ 31 ডিচেম্বৰ সাপেক্ষে বিহাৰ, তামিল নাডু, উত্তৰ প্ৰদেশ, কৰ্ণাটক আৰু পশ্চিম বংগ হৈছে শীৰ্ষৰ 5 খন ৰাজ্য।

# ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল অনুসৰি 90+ পৰিশোধ বিলম্ব-2022 চনৰ 31 ডিচেম্বৰ সাপেক্ষে




এই মানচিত্ৰখন কেৱল এক সাধাৰণীকৃত চিত্ৰ আৰু ই সন্দৰ্ভৰ উদ্দেশ্যে ব্যৱহাৰৰ বাবে নহয়৷

- শীৰ্ষৰ 5 খন ৰাজ্যৰ 90+ পৰিশোধ বিলম্ব হ'ল ক্ৰমে: বিহাৰ: 0.92%, তামিল নাডু: 1.13%, উত্তৰ প্ৰদেশ: 1.01% কৰ্ণাটক: 0.69%, পশ্চিম বংগ: 4.62%.
- পশ্চিম বংগৰ 90+ পৰিশোধ বিলম্ব উদ্যোগৰ পৰিশোধ বিলম্ব 1.76% তকৈ অধিক৷

EQUIFAX®



# অভিলাষী

## জিলাসমূহ


# অভিলাষী জিলাসমূহ –

## 2022 চনৰ ডিচেম্বৰৰ অৱলোকন


| অভিলাষী জিলাৰ বৃদ্ধিৰ সবিশেষ | 31 ডিচেম্বৰ 2021 | 31 ডিচেম্বৰ 2022 | বৃদ্ধিৰ % |
|---|---|---|---|
| সক্ৰিয় ঋণগ্ৰাহীৰ প্ৰৱেশ ('000) | 8,618 | 10,400 | 21% |
| প্ৰদান কৰা ধনৰাশি (`কোটি টকাত) | 34,266* | 42,767** | 25% |
| সক্ৰিয় ঋণ ('000) | 13,363 | 15,334 | 15% |
| বকেয়া পৰ্টফলিঅ' (`কোটি টকাত) | 31,918 | 38,812 | 22% |
| 30+ পৰিশোধ বিলম্ব | 6.87% | 2.76% | - |
| 90+ পৰিশোধ বিলম্ব | 2.70% | 1.43% | - |

- 2022 চনৰ 31 ডিচেম্বৰ সাপেক্ষে অভিলাষী জিলাসমূহৰ বকেয়া পৰ্টফলিঅ' হৈছে ` 38,812 কোটি আৰু 2021 চনৰ ডিচেম্বৰৰ পৰা 2022 চনৰ ডিচেম্বৰলৈ ই 22% বৃদ্ধি হৈছে।
- 2021 চনৰ ডিচেম্বৰৰ পৰা 2022 চনৰ ডিচেম্বৰলৈ অভিলাষী জিলাসমূহত সক্ৰিয় ঋণগ্ৰাহীৰ প্ৰৱেশসাধ্যতা 15% বৃদ্ধি হৈছে।
- 2022 চনৰ জানুৱাৰীৰ পৰা 2022 চনৰ ডিচেম্বৰলৈ অভিলাষী জিলাসমূহক ` 42,767 কোটি টকা মূল্যৰ ঋণ প্ৰদান কৰা হৈছে।
- বেংক আৰু এছ.এফ.বি.সমূহৰ 30+ আৰু 90+ পৰিশোধ বিলম্ব অভিলাষী জিলাসমূহৰ সামগ্ৰিক পৰিশোধ বিলম্বতকৈ অধিক।

পৰ্টফলিঅ' (`কোটি টকাত)





প্ৰদান কৰা ধনৰাশি (`কোটি টকাত) – জানু'22 ৰ পৰা ডিচে'22 লৈ




বেংক | এছ.এফ.বি. | এন.বি.এফ.চি.-এম.এফ.আই. | এন.বি.এফ.চি. | অলাভকাৰী এম.এফ.আই.

ঋণদাতাৰ শ্ৰেণী অনুসৰি 30+ আৰু 90+ পি.অ'.এছ. পৰিশোধ বিলম্ব







অস্বীকৰণ : * 2021 চনৰ জানুৱাৰীৰ পৰা 2021 চনৰ ডিচেম্বৰলৈ প্ৰদান কৰা ঋণ। ** 2022 চনৰ জানুৱাৰীৰ পৰা 2022 চনৰ ডিচেম্বৰলৈ প্ৰদান কৰা ঋণ। * পৰিশোধ বিলম্বসমূহ পি.অ'.এছ.ৰ ভিত্তিত গণনা কৰা হৈছে।



# ভূ (জিঅ')

## প্রদর্শন

# আঞ্চলিক ঋণ প্ৰদান অৱলোকন – ডিচেম্বৰ, 2022





- গ্ৰাম্য অঞ্চলে প্ৰদান কৰা ধনৰাশিৰ মূল্যৰ ক্ষেত্ৰত 14% ৰ সৰ্বাধিক বাৰ্ষিক (Y-o-Y) বৃদ্ধি নথিবদ্ধ কৰিছে।
- গ্ৰাম্য অঞ্চলৰ পাছত অৰ্ধ-নগৰীয়া অঞ্চলে প্ৰদান কৰা ধনৰাশিৰ মূল্যৰ ক্ষেত্ৰত 8% ৰ এক ভাল বাৰ্ষিক (Y-o-Y) বৃদ্ধি নথিবদ্ধ কৰিছে।


# আঞ্চলিক প্ৰদৰ্শন -

## 2022 চনৰ 31 ডিচেম্বৰ সাপেক্ষে

বকেয়া পৰ্টফলিঅ'ৰ ভিত্তিত অংশীদাৰিত্ব প্ৰৱণতাৰ %




90+ পৰিশোধ বিলম্ব




- বকেয়া পৰ্টফলিঅ'ৰ ক্ষেত্ৰত গ্ৰাম্য অঞ্চলে 26% ৰ সৰ্বাধিক বাৰ্ষিক (Y-o-Y) বৃদ্ধি নথিবদ্ধ কৰিছে।
- 2021 চনৰ ডিচেম্বৰৰ তুলনাত 2022 চনৰ ডিচেম্বৰত আটাইবোৰ অঞ্চলৰ 90+ পৰিশোধ বিলম্ব হ্ৰাস পাইছে।
- গ্ৰাম্য অঞ্চলসমূহৰ 90+ পৰিশোধ বিলম্ব সৰ্বনিম্ন।
- 2022 চনৰ ডিচেম্বৰত নগৰীয়া আৰু অৰ্ধ-নগৰীয়া অঞ্চলসমূহৰ 90+ পৰিশোধ বিলম্ব উদ্যোগৰ 90+ পৰিশোধ বিলম্বতকৈ অধিক আছিল।

# ছিডবি (SIDBI)ৰ বিষয়ে

1990 চনত সংসদ আইনৰ অধীনত ভাৰতীয় ক্ষুদ্ৰ উদ্যোগ উন্নয়ন বেংক স্থাপন কৰা হৈছিল। ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ (এম.এছ.এম.ই. খণ্ড)ৰ প্ৰচাৰ, বিত্তীয় সাহায্য আৰু উন্নয়নৰ ত্ৰিগুণ কাৰ্যসূচী ৰূপায়ণ তথা একেধৰণৰ কামত নিয়োজিত বিভিন্ন প্ৰতিষ্ঠানৰ কাম-কাজৰ সমন্বয়ৰ বাবে ছিডবিক প্ৰধান বিত্তীয় প্ৰতিষ্ঠান হিচাপে কাম কৰাৰ দায়িত্ব দিয়া হৈছে। বিগত বছৰবোৰত ইয়াৰ বিভিন্ন বিত্তীয় আৰু উন্নয়নমূলক ব্যৱস্থাৰ জৰিয়তে, বেংকটোৱে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ জীৱন স্পৰ্শ কৰিছে, সমগ্ৰ এম.এছ.এম.ই.ৰ অধীনৰ উদ্যোগসমূহক প্ৰভাৱিত কৰিছে আৰু এম.এছ.এম.ই. পৰিৱেশ তন্ত্ৰত বহু বিশ্বাসযোগ্য প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈছে।

ভিজন 2.0ৰ অধীনত ছিডবিয়ে এম.এছ.এম.ই. খণ্ডত তথ্য বৈষম্যক চম্ভালিবলৈ বিভিন্ন পদক্ষেপৰ নেতৃত্ব দিছে, যেনে- এম.এছ.এম.ই. পালছ, এম.এছ.এম.ই.ৰ স্বাস্থ্য নিৰীক্ষণ (হেল্থ ট্ৰেকাৰ) আৰু এম.এছ.ই.ৰ আৱেগ আৰু আকাংক্ষাসমূহ জুখিবৰ বাবে ক্ৰাইছিডএক্স (CriSidEx), মাইক্ৰ'ফাইনেন্স পালছৰ বাহিৰেও ফিনটেক ঋণ খণ্ডৰ ওপৰত ক্ৰেডিট ডাটা ইনচাইটৰ বাবে উদ্যোগৰ ঋণদাতা আৰু ফিনটেক পালছৰ ওপৰত এক বিস্তৃত প্ৰতিবেদন, ইণ্ডাষ্ট্ৰী স্পটলাইট, প্ৰস্তুত কৰিছে।

## ক্ষুদ্ৰ বিত্তায়নৰ ক্ষেত্ৰত ছিডবি (SIDBI)

ক্ষুদ্ৰ বিত্তীয় গতিবিধিক সমৰ্থন কৰি সৰ্বাংগীন বিত্তীয় কাৰ্যসূচীক আগুৱাই নিয়াত ছিডবিয়ে অগ্ৰণী ভূমিকা পালন কৰিছে। 2022 চনৰ 31 মাৰ্চলৈকে ছিডবিৰ ক্ষুদ্ৰ বিত্তীয় পদক্ষেপৰ অধীনত প্ৰদান কৰা ক্ৰমবৰ্ধমান সাহায্যৰ পৰিমাণ মুঠ `23,460 কোটি টকা হয় যিয়ে প্ৰায় 4.83 কোটি দৰিদ্ৰ গ্ৰাহকক লাভৱান কৰে। এম.এফ.আই.সমূহৰ ডেট আৰু ইকুইটি সমৰ্থন এই প্ৰতিষ্ঠানসমূহলৈ সামৰ্থ্য বিকাশৰ সমৰ্থন আৰু অনুৱৰ্তিতা মূল্যায়ন সঁজুলি আদিক সমৰ্থন কৰি কৰ্প'ৰেট পৰিচালনা সংস্কৃতিক গ্ৰহণ কৰাৰ দ্বাৰা ভালদৰে পৰিপূৰক। ক্ষুদ্ৰ বিত্তীয় উদ্যোগক দুৰ্বল আৰম্ভণিৰ পৰা পূৰ্ণাংগ উদ্যোগ খণ্ডলৈ চম্ভালাৰ উপৰিও, আমাৰ অংশীদাৰ এম.এফ.আই.ৰ 8 টা এছ.এফ.বি./ইউনিভাৰ্চেল বেংকলৈ পৰিৱৰ্তনৰ শিখৰত উপনীত হয়। মাইক্ৰ'লেণ্ডিঙৰ এটা অগ্ৰণী পদক্ষেপ হ'ল ছিডবিৰ পৰা পোনপটীয়াকৈ (অংশীদাৰী ব্যৱস্থাৰ জৰিয়তে) এনে এটা সুতৰ হাৰত সৰু ঋণ উপলব্ধ কৰা, যিটো বজাৰৰ সুতৰ হাৰৰ তুলনাত যথেষ্ট কম। প্ৰয়াস (Prayaas) শীৰ্ষক এই পদক্ষেপৰ অধীনত বেংকে অংশীদাৰিত্ব আৰ্হিৰ অধীনত বজাৰ হাৰতকৈ তুলনামূলকভাৱে কম সুতৰ হাৰত পিৰামিডৰ তলৰ স্তৰৰ ক্ষুদ্ৰ ঋণগ্ৰাহীসকলক `0.50 লাখ টকাৰ পৰা `5 লাখ টকাৰ সৰু টিকেট আকাৰৰ ঋণ প্ৰদান কৰি আহিছে।

## ইকুইফেক্স (Equifax)ৰ বিষয়ে

ইকুইফেক্স (NYSE: EFX)ত আমি বিশ্বাস কৰোঁ যে, জ্ঞানে অগ্ৰগতিৰ সূচনা কৰে। এটা বিশ্বব্যাপী তথ্য, বিশ্লেষণকাৰী আৰু প্ৰযুক্তি কোম্পানী হিচাপে আমি বিত্তীয় প্ৰতিষ্ঠান, কোম্পানী, কৰ্মচাৰী, আৰু চৰকাৰী সংস্থাসমূহক অধিক আত্মবিশ্বাসেৰে জটিল সিদ্ধান্ত লোৱাত সহায় কৰি বিশ্ব অৰ্থনীতিত এক অপৰিহাৰ্য ভূমিকা পালন কৰোঁ। আমাৰ বিশিষ্ট তথ্য, বিশ্লেষণ আৰু ক্লাউড প্ৰযুক্তিৰ অনন্য মিশ্ৰণে মানুহক আগবঢ়াই নিবলৈ দৃঢ় সিদ্ধান্ত গ্ৰহণ কৰিবলৈ অন্তৰ্দৃষ্টিসমূহক পৰিচালিত কৰে। আটলাণ্টাৰ মুখ্য কাৰ্যালয় আৰু বিশ্বজুৰি 11,000 ৰো অধিক কৰ্মচাৰীৰ সহযোগিতাৰে ইকুইফেক্সে উত্তৰ আমেৰিকা, মধ্য আৰু দক্ষিণ আমেৰিকা, ইউৰোপ, আৰু এছীয়-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ 25 খন দেশত পৰিচালিত হয় বা বিনিয়োগ কৰে। অধিক তথ্যৰ বাবে, Equifax.com চাওক।

### অস্বীকৰণ

মাইক্ৰ'ফাইনেন্স পালছ (ৰিপ'ৰ্ট) ইকুইফেক্স ক্ৰেডিট ইনফৰ্মেশ্যন ছাৰ্ভিচেছ প্ৰাইভেট লিমিটেড (ইকুইফেক্স)ৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে। প্ৰতিবেদনখন ব্যৱহাৰ কৰি, ব্যৱহাৰকাৰীয়ে স্বীকাৰ কৰে আৰু গ্ৰহণ কৰে যে, এনে ব্যৱহাৰ এই অস্বীকৰণৰ অধীনত। এই প্ৰতিবেদন 2022 চনৰ ছেপ্টেম্বৰ মাহলৈকে ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানসমূহ আৰু ইকুইফেক্সৰ সদস্যসকলে যথেষ্ট পৰিমাণে প্ৰদান কৰা তথ্যৰ সংকলনৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা হৈছে। ইকুইফেক্সে প্ৰতিবেদন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ন্যায্য সাৱধানতা অৱলম্বন কৰিলেও, ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানসমূহে দাখিল কৰা ভুল বা অপৰ্যাপ্ত তথ্যৰ ফলত হোৱা সঠিকতা, ভুল আৰু/বা বাদ পৰাৰ বাবে ই দায়ী নহ'ব। ইয়াৰ উপৰিও, ইকুইফেক্সে প্ৰতিবেদনত থকা তথ্যৰ পৰ্যাপ্ততা বা সম্পূৰ্ণতাৰ নিশ্চয়তা নিদিয়ে আৰু/বা কোনো নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে ইয়াৰ উপযুক্ততাৰ নিশ্চয়তা নিদিয়ে বা প্ৰতিবেদনৰ ওপৰত কোনো ধৰণৰ প্ৰৱেশ বা নিৰ্ভৰশীলতাৰ বাবে ইকুইফেক্স দায়বদ্ধ নহয় আৰু ইকুইফেক্সে এনে সকলো দায়বদ্ধতা স্পষ্টভাৱে অস্বীকাৰ কৰে। এই প্ৰতিবেদনখন কোনো প্ৰয়োগ বা পণ্য অস্বীকাৰ কৰা বা গ্ৰহণ কৰাৰ চুপাৰিছ নহয় নাইবা ই (i) ঋণ দিয়া বা নিদিয়া আৰু (ii) সংশ্লিষ্ট ব্যক্তিৰ সৈতে কোনো বিত্তীয় লেনদেন কৰা বা নকৰাৰ সন্দৰ্ভত ইকুইফেক্সৰ কোনো পৰামৰ্শ নহয়। প্ৰতিবেদনত থকা তথ্যসমূহ পৰামৰ্শ নহয় আৰু এই প্ৰতিবেদনত থকা তথ্যৰ ভিত্তিত কোনো সিদ্ধান্ত লোৱাৰ আগতে ব্যৱহাৰকাৰীয়ে নিজৰ মতামতত বিবেচনাপূৰ্ণ সকলো প্ৰয়োজনীয় বিশ্লেষণ কৰিব লাগে। প্ৰতিবেদনৰ ব্যৱহাৰ ক্ৰেডিট তথ্য কোম্পানী (নিয়ন্ত্ৰণ) আইন 2005, ক্ৰেডিট তথ্য কোম্পানী বিধি 2006, ক্ৰেডিট তথ্য কোম্পানী নিয়ম, 2006 ৰ বিধানৰ দ্বাৰা পৰিচালিত হয়। প্ৰতিবেদনৰ কোনো অংশ পূৰ্বৰ অনুমোদন অবিহনে কপি, প্ৰচাৰ, প্ৰকাশ কৰা উচিত নহয়।

## যোগাযোগৰ সবিশেষ

ইকুইফেক্স ক্ৰেডিট ইনফৰমেশ্যন ছাৰ্ভিচেজ প্ৰাইভেট লিমিটেড

ইউনিট নম্বৰ- 931, 3য় মহলা, বিল্ডিং নম্বৰ- 9,
ছলিটেইৰ কৰ্প'ৰেট পাৰ্ক, আন্ধেৰী ঘাটকোপৰ লিংক ৰোড, আন্ধেৰী
(পূব), মুম্বাই - 400 093

টোল ফ্ৰী নম্বৰ: 1800 2093247
ecissupport@equifax.com

ভাৰতীয় ক্ষুদ্ৰ উদ্যোগ উন্নয়ন বেংক

স্বাৱলম্বন ভৱন, প্লট নম্বৰ- C-11, 'G' ব্লক, বান্দ্ৰা কুৰ্লা
কমপ্লেক্স, বান্দ্ৰা (পূব), মুম্বাই - 400 051, মহাৰাষ্ট্ৰ

টোল ফ্ৰী নম্বৰ: 1800 226753
www.sidbi.in/en

স্বত্বাধিকাৰ © 2023, ইকুইফেক্স ইনকৰ্প'ৰেটেড, আটলান্টা, জৰ্জিয়া। সকলো অধিকাৰ সংৰক্ষিত। ইকুইফেক্স হৈছে ইকুইফেক্স ইনকৰ্প'ৰেটেডৰ এটা পঞ্জীয়নভুক্ত ট্ৰেডমাৰ্ক।